
# গোবিন্দই তেওঁৰ দোকানখন কৰ'নাৰ বাবে অভেদ্য কৰি তুলিলে

ক'ভিড-১৯ সম্পৰ্কে ভাৰতীয় বিজ্ঞানীৰ প্ৰতিক্ৰিয়া
এটি স্বেচ্ছাসেৱী গোষ্ঠী

IndiSciCovid

https://indscicov.in/



আকৌ দোকান খুলিবলৈ পাই গোবিন্দৰ খুউব ফুৰ্ত্তি। তেওঁৰ গেলামালৰ দোকানখন যোৱা দহদিন ধৰি বন্ধ হৈ আছে। "মাত্ৰ দহদিন? নহয়, যেন ১০ বছৰহে।", তেওঁৰ এনে ভাব হ'ল। লক ডাউন আৰম্ভ হোৱাৰ সময়ত তেওঁক কোৱা হৈছিল যে গেলামাল অতি প্ৰয়োজনীয়, সেয়ে দোকান খোলা ৰাখিব পাৰিব। পিছে প্ৰথমদিনা দোকান খুলিবলৈ গৈ পুলিচক যিমান বুজাবলগীয়া হৈছিল, অৱশেষত তেওঁ হাৰ মানিবলগীয়া হৈছিল। দোকানলৈ অহাটো ইমান সহজসাধ্য নাছিল। আগেয়ে তেওঁ স্কুটাৰেৰেহে গৈছিল, কিন্তু এতিয়া পুলিচে যে দুচকীয়া বাহন দেখা পালেই ধৰে।

তেওঁ ৰহিম আৰু জৰ্জৰ লগতো কথা পাতিছিল; তেওঁলোকেও নিজৰ দোকানবোৰ খোলা নাছিল। দোকানৰ বয়-বস্তুবোৰ আমদানি কৰাৰ ক্ষেত্ৰত অসুবিধা হোৱাৰ বাবে দোকান খুলিব পৰা নাছিল। তেওঁলোক

কেইজনৰ তেনেই সৰু সৰু দোকান কেইখনমান আছে, দীঘে খুউব বেছি ১২ ফুট আৰু বহলে ১০ ফুট, লগতে সৰু বাট এটা আছে, যিটোৰে খুউব বেছি এজন মানুহহে সোমাই আহিব পাৰে, তাকো ৩/৪ ফুট ভিতৰলৈহে। এটা ঘৰৰ ভিতৰতে এনেকুৱা চাৰিখন দোকান আছে: এখন জোতাৰ দোকান, এখন ৰেডিমেড সাজ-পোচাকৰ, এখন ফেন্সী ষ্ট'ৰ আৰু গোবিন্দৰ দোকানখন। ওপৰৰ মহলাত আছে তেনেই শোচনীয় অৱস্থাত থকা এটা ইন্টাৰনেট ব্ৰাউজিং চেন্টাৰ, ভয়ংকৰ সংকটৰ কবলত থকা এটা ফটো ষ্টুডিঅ' আৰু এজন মাটিৰ দালালৰ কোঠা এটা। এই দোকানবোৰ কেৱল এতিয়াহে যে বন্ধ হৈছে তেনে নহয়; ইতিমধ্যে দোকানবোৰৰ অৱস্থা ইমান বেয়াযে



এমাহজুৰি হোৱা বয়ৱসায়ৰ লোকচানৰ ক্ষতিপূৰণ কৰা হয়তো অসম্ভৱেই হ'ব। তেওঁলোকতকৈতো গোবিন্দৰ অৱস্থা অলপ ভালেই!


সচৰাচৰ গোবিন্দই পুৱাৰ পৰা গধূলিলৈকে দোকানত থাকে আৰু লগত থাকে তেওঁৰ ল'ৰা জিতু। জিতুৱে হাইস্কুলত পঢ়ে। গোবিন্দই দুপৰীয়া ভাত খাবলৈ আৰু জিৰণি ল'বলৈ যেতিয়া ঘৰলৈ যায়, তেতিয়া জিতুৱে দোকানখনৰ চোৱা-চিতা কৰে। তদুপৰি, সি ফোনত পোৱা অৰ্ডাৰমতে কেইজনমান আঢ্যৱন্ত গ্ৰাহকৰ ঘৰত বস্তুবোৰ ডেলিভাৰী দিয়াৰ কামো কৰে।

লকডাউন ঘোষিত হোৱাৰ পাছত লাহে-লাহে পৰিস্থিতি এতিয়া কিছু শান্ত হোৱাত তেওঁ দোকানখন আকৌ খুলিব পৰা হ'ল। গোবিন্দই পুলিচ থানালৈ যাওঁতে তেওঁক গেলামালৰ দোকানখন খোলাৰ অনুমতি দিলে।

লগতে তেওঁক এখন নিৰ্দেশাৱলীও (চৰকাৰৰ দ্বাৰা জাৰি আৰু পুলিচৰ দ্বাৰা বিতৰণ কৰা) দিয়া হয়, য'ত তেওঁ কি কৰা উচিত আৰু কি কৰা অনুচিত, সেই সম্পৰ্কে দিহা দিয়া আছে।

দোকানত গ্ৰাহকৰ প্ৰৱেশ: এজনতকৈ বেছি গ্ৰাহক একেলগে দোকানত সোমাব নোৱাৰে। তাৰ দোকানখন ইমানেই সৰু যে ভিতৰত গোবিন্দ আৰু তেওঁৰ ল'ৰাটো থাকিলে অন্য় কোনো সোমাব নোৱাৰে। সেয়ে স্বাভাৱিকতেই ই অসম্ভৱ।

গ্ৰাহকে নিজৰ মাজত শাৰীৰিক দূৰত্ব বজাই ৰখাটো সুনিশ্চিত কৰা: তেওঁ দোকানৰ বাহিৰত ৬ ফুটৰ বয়ৱধানত চক পেঞ্চিলেৰে কেইটামান বৃত্ত আঁকি দিছে; কিন্তু গ্ৰাহকে



ইয়াক সাৱধানে মানি চলিবনে নাই সেই বিষয়ে তেওঁ নিশ্চিত নহয়। গ্ৰাহকে বৃত্তবোৰৰ ভিতৰতহে থিয় হোৱা উচিত বুলি এখন হাতেলিখা পোষ্টাৰো তেওঁ আঁৰি দিব। তেতিয়া হয়তো তেওঁলোকৰ সৰুতে জঁপিয়াই জঁপিয়াই খেলা খেলটোৰ কথাও মনত পৰি যাব। দাগবোৰ মচ খাই গ'লে তেওঁ জিতুক পুনৰ আঁকি দিবলৈ ক'ব।

দোকানৰ বয়-বস্তু আহিলে গ্ৰহণ কৰাৰ সময়ত শাৰীৰিক দূৰত্ব বজাই ৰখাটো গোবিন্দৰ কাৰণে তেনেই সহজ হ'ব। বৰ্তমান যিহেতু একেবাৰে কম বয়-বস্তহে আহে, ই একো সমস্যাই নহয়। এনেয়ো দোকানৰ বস্তু অনাৰ বাবে তেওঁ কেতিয়াও বিশেষ লৰালৰি নকৰিছিল। গোবিন্দই নিজে পাইকাৰী বজাৰলৈ গৈ বস্তু কিনি আনিছিল; কিন্তু এতিয়া তেনে কৰিব পাৰিবনে নাই তেওঁ নাজানে। এতিয়া বাছ-তাছ নচলে আৰু স্কুটাৰখন চলোৱাৰ অনুমতিও হয়তো তেওঁ নাপাব।

গোবিন্দই এটা মুখা পিন্ধি আছে; কেইখনমান কাপোৰেৰে তৈয়াৰ কৰা মুখা তেওঁৰ ঘৰতে আছে আৰু সেইকেইটাকে ধুই-মেলি লৈ ব্যৱহাৰ কৰি থাকিব পাৰিব। কিন্তু গ্ল'ভচ্? টুপী? সম্পূৰ্ণ শৰীৰ ঢাকিব পৰা কোনো আৱৰণ? এইবিলাক তেওঁৰ কেতিয়াও নাছিল আৰু গুৱাহাটীৰ প্ৰচণ্ড গৰমত এইসোপা পিন্ধি যে কাম কৰিব পাৰিব সেই সম্পৰ্কেও তেওঁ নিশ্চিত নহয়। এইবোৰ তেওঁ পাবনো ক'ত? কোনোবা দোকানত? এতিয়াতো দোকানবোৰো বন্ধ।

তেওঁ গ্ৰাহকসকলকো মুখা পিন্ধাৰ কথা ক'ব; কিন্তু জোৰ দি কেনেকৈনো ক'ব? পুলিচে আহি বাৰু ক'ব নেকি?



চাবোনে এই ভাইৰাচটো নষ্ট কৰিব পাৰে বুলি গোবিন্দই বাতৰি কাকতত পঢ়িছে। চাবোন তেওঁৰ আছে বহুতবোৰ! তেওঁ ভাবিছে যে কেইটামান বাল্টিত তেওঁ চাবোনপানী ৰাখিব আৰু সময়ে সময়ে পানীবোৰ সলায়ো থাকিব। অধিক সাৱধানতাৰ বাবে তেওঁ দোকানৰ মজিয়াখন নিজে চাবোন পানীৰে পৰিষ্কাৰ কৰি থাকিব। তেওঁ এইটোও থিৰাং কৰিছে যে কাহত ভুগি থকা কোনো ব্যক্তিকে তেওঁ কেতিয়াও দোকানৰ কোনো সামগ্ৰীৰ সংস্পৰ্শলৈ আহিবলৈ নিদিয়ে। বাহিৰতে ৰৈ থাকিলে তেওঁলোকক ক্ৰয় কৰা সামগ্ৰীবোৰ দি দিয়া হ'ব। দোকানৰ ভিতৰত কি কৰিব লাগিব, জিতুক তেওঁ ভালদৰে বুজাই দিলে।

গ্ৰাহকৰ ঘৰতে সামগ্ৰীবোৰ দি অহাৰ ব্যৱস্থা হ'ব বুলি আশা এটা আছে, যদিওবা ই সিহঁতৰ চুবুৰীৰ কেইঘৰমানতেই সীমাৱদ্ধ থাকিব। গোবিন্দই এই লকডাউনৰ সময়ত জিতুক চাইকেলখনেৰে দূৰলৈ পঠিয়াই বিপদ চপাই ল'ব বিচৰা নাই। য'লৈকে নাযাওক, জিতুৱে মুখাখন পিন্ধি যাব, কোনো গ্ৰাহকৰে ঘৰৰ ভিতৰত নোসোমায়, সামগ্ৰীৰ বাকচটো বাহিৰতে থ'ব, গ্ৰাহকে আহি সামগ্ৰীবোৰ লৈ যোৱাৰ বাবে অপেক্ষা কৰিব আৰু এটা সৰু খৰাহিত গ্ৰাহকে দিয়া টকাখিনি লৈ ল'ব। গ্ৰাহকৰ ঘৰত সামগ্ৰী দিবলৈ যাওঁতে ল'বলগীয়া সাৱধানতাৰ কথা গোবিন্দই জিতুক বাৰে বাৰে সোঁৱৰাই দিছে। জিতুৰ যদি কেনেবাকৈ কাহ বা জ্বৰ হয়, তেন্তে এই কাম বন্ধ হৈ যাব আৰু দোকানখনো বন্ধ কৰিব লাগিব। জিতু ডেকা ল'ৰা, সি এইবোৰ শুনি খুউব উত্তেজিত; পিছে গোবিন্দ অতিকৈ চিন্তিত।



গোবিন্দৰ আটাইতকৈ ডাঙৰ চিন্তাটো হ'ল ঘৰটোত থকা একমাত্ৰ লেতেৰা শৌচাগাৰটোক লৈ, যিটো সকলোৱে ব্যৱহাৰ কৰে। যিহেতু ১০ দিন ধৰি ঘৰটোত কোনো নাছিল, তাত পানী আৰু বিজুলীৰ যোগান ইতিমধ্যে বন্ধ কৰি দিয়া হৈছে। এতিয়া এইখিনিৰ কাৰণে তেওঁ ঘৰৰ মালিকৰ লগত কাজিয়া কৰিলেহে হ'ব, তাকো এখন দোকানৰ কাৰণে। অৱশ্যে পানী দিছে এতিয়া, কিন্তু ৰঙটো একেবাৰে কফিৰ নিচিনা!

যদিহে তেওঁ নিয়মীয়াকৈ দোকানখন পৰিষ্কাৰ কৰি ৰাখিবলৈ ভাল পানীৰ যোগান পাই থাকে, তেন্তে গোবিন্দই নিজে নিৰাপদে থাকি তেওঁৰ গ্ৰাহকসকলক প্ৰয়োজনীয় সেৱা আগবঢ়াবলৈ সাজু।

তথ্যখিনিৰ প্ৰাসংগিকতা আৰু কেইটামান বিশেষ প্ৰেক্ষাপট উপস্থাপন কৰিবলৈ এই গল্পকেইটা উদাহৰণ হিচাপে তুলি ধৰা হৈছে । ইয়াৰ জৰিয়তে তথ্যখিনি এক সৰল ভাষাত বুজাবলৈ প্ৰয়াস কৰা হৈছে । বিশদ বিৱৰণ আৰু বিজ্ঞানভিত্তিক সত্যতা জানিবৰ বাবে ৱেবচাইটত উপলব্ধ নথি-পত্ৰখিনি অনুগ্ৰহ কৰি পঢ়ে যেন ।

